بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১৯ জুন মছজিদ মোবাৰক ইছলামাদ (বৃটেইনত ) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ ।**

আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়াহদাহু লাশ্বাৰিকালাহু ওয়া আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওয়া ৰাছুলুহু - আম্মা বাদু ফাউজুবিল্লাহ হিমিনা শ্বায়তানিৰ ৰাজিম - বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম - আলহামদু লিল্লাহি ৰাববিল আলামিন-আৰ ৰাহমানিৰ ৰাহিম- মালিকি ইয়াও মিদ্দিন - ইয়াকানা বুদু ওয়া ইয়া কানাছ তাঈন- ইহদিনা ছিৰাতাল্লাজিনা আন-আমতা আলায়হিম গায়ৰিল মাগজুবি আলায়হিম ওয়ালাজ্জালিন।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - যোৱা সপ্তাহত জুমাৰ খোতবাত হজৰত আব্দুৰ ৰহমান বিন অওফ (ৰাঃ)ৰ জীৱনৰ কিছু ঘটনাৰ বৰ্ণনা কৰিছিলো তাৰে কিছু অংশ বাকী আছে, যি আজি মই বৰ্ণনা কৰিম।

হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে অহুদৰ যুদ্বত অংশগ্ৰহন কৰিছিল। অহুদৰ যুদ্বত যেতিয়া মুছলমান সৈন্যই বিজয়ৰ লক্ষণ দেখি ইফাল-সিফালে সিচঁৰিত হৈ পৰিছিল তেতিয়া আকৌ শত্ৰুৰ প্ৰত্যাক্ৰমনত মুছলমান সকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি হৈছিল, সেই সময়ত হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত দৃঢ় প্ৰতিষ্ঠিত ভাৱে শত্ৰুক প্ৰতিৰোধ কৰি আছিল। অহুদৰ যুদ্বত হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ শৰীৰত ২১ টা জখম হৈছিল। তাৰে মাজত ভৰিত এনেকুৱা আঘাত পাইছিল যে তেখেতে লেঙেৰাই লেঙেৰাই চলিব লগা হৈছিল আৰু সন্মুখৰ দুটা দাতঁ শ্বহীদ হৈ গৈছিল।

হজৰত ইবনে উমৰ বৰ্ণনা কৰিছে যে ছয় হিজৰিৰ শাবান মাহত ৰছুলুল্লাহ (ৰাঃ)য়ে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ নেতৃত্বত সাতশ জন লোকৰ এটা দল দোমাতুল জিন্দাললৈ প্ৰেৰণ কৰিছিল। হুজুৰ (ছাঃ)য়ে নিজ হাতেৰে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ মূৰত এখন কলা ৰঙৰ কাপোৰৰ পাগুৰি বান্ধি দিছিল, যাৰ আচঁল কান্ধৰ মাজলৈকে ওলমি আছিল।

হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে দোমাতুল জিন্দালত গৈ উপস্থিত হোৱাৰ পিছত তাৰে লোক সকলক তিনি দিনলৈকে ইছলামৰ দাওয়াত দিছিল কিন্তু তেওঁলোকে সেইদিন কেইটাত কোনো ধৰণৰ সহাঁৰি দিয়া নাছিল। অৱশেষত আছবাগ বিন উমৰু কলবি নামৰ লোকজনে, যিজন এজন ঈছাই লোক আছিল আৰু আৰু তেওঁলোকৰ চৰদাৰ আছিল, সি আহি ইছলাম গ্ৰহন কৰিছিল। হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে এই সকলো বিৱৰি আঁহজৰত (ছাঃ)লৈ লিখি পঠিয়াইছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে নিৰ্দেশ দিছিল যে উক্ত চৰদাৰ জনৰ জীয়েক তামাজৰক বিয়া কৰোৱা। হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে সেই মতেই তাইক বিয়া কৰাইছিল আৰু তাইক লৈ মদিনালৈ ওভতি আহিছিল। এই তামাজৰেই পিছত পিছত উম্মে আবু ছলমা নামেৰে পৰিচিত হৈছিল।

হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) য়ে এই সৌভাগ্যও লাভ কৰিছিল যে আঁহজৰত (ছাঃ)য়ে এখেতৰ পিছত মুক্তাদি হিচাপেও নমাজ পঢ়িছিল। নমাজ পঢ়াৰ পিছত হুজুৰ (ছাঃ)য়ে কৈছিল যে প্ৰত্যেক নবীয়েই নিজৰ জীৱনদশাত তাৰ উম্মতৰ কোনো এজন সাদু পুৰুষৰ পিছত নিশ্চয় নমাজ পঢ়িছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - এয়া আছিল এক অন্যান্য মৰ্যদা যি আঁহজৰত (ছাঃ)য়ে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ক দান কৰিছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে জহৰ নমাজৰ আগত দীঘলীয়াকৈ নমাজ পঢ়া কৰিছিল অৰ্থ্যাৎ নফল নমাজ পঢ়িবলৈ গৈছিল। এজন ৰাবীয়ে বৰ্ণনা কৰিছে যে - মই দেখিছিলো আব্দুৰ ৰহমানে খানা কাবা তোয়াফ কৰি আছে আৰু এয়া দোৱা কৰি আছে যে আল্লাহ মোক প্ৰবৃত্তিৰ কৃপনতাৰ পৰা ৰক্ষা কৰা।

হজৰত আব্দুল্লাহ বিন উমৰ বৰ্ণনা কৰিছে যে যি বছৰটোত হজৰত উমৰ (ৰাঃ)য়ে খলিফা নিৰ্বাচিত হৈছিল, সেই বছৰ এখেত এখেত (ৰাঃ)য়ে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ক হজ্বৰ আমিৰ নিযুক্তি কৰিছিল। এবাৰ হজৰত আব্দুৰ

ৰহমান বিন অউফ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰত জুৰাৰ পাৰ্দুভাৰ বাঢ়ি যোৱা সম্পৰ্কে অভিযোগ লৈ গৈছিল। তেতিয়া আঁহজৰত (ছাঃ)য়ে এখেত (ৰাঃ)ক ৰেচমৰ পোছাক পৰিধান কৰাৰ অনুমতি দিছিল।

ছাআদ বিন ইব্ৰাহিমৰ পৰা বৰ্ণিত আছে আছে হজৰত আব্দুৰ ৰহমান বনি অউফ (ৰাঃ)য়ে চাঁদৰ পিন্ধিছিল, যাৰ সেই সময়ত মূল্য আছিল চাৰি নাইবা পাচঁশ দেৰহাম। কিন্তু যেতিয়া এওঁলোকে মক্কাৰ পৰা মদিনালৈ হিজৰত কৰিছিল, এওঁলোকৰ হাতত একোৱে নাছিল, পিছলৈ আল্লাহ তায়ালা এওঁলোকৰ বাবে দামী পোছাক পৰিচ্ছদ আৰু অসংখ্য সা-সম্পত্তিৰ জন্ম ও যোগান ধৰিছিল।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ মৃত্যুমুখী বেমাৰৰ সময়ত অৰ্থ্যাৎ মুৰ্মুখ অৱস্থাত হজৰত উমৰ (ৰাঃ)ক নিজৰ পিছত খলিফা হিচাপে নিযুক্তি দিছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই সিদ্ধান্ত বহন কৰিছিল তেতিয়া হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ক মাতি আনি তেখেতৰ পৰা অনুমতি লৈছিল যে হজৰত উমৰ (ৰাঃ)ক তেখেতৰ পিছত খলিফা নিযুক্ত কৰিব পৰা যায় নে নাই।

মক্কা বিজয়ৰ পিছত হুজুৰ (ছাঃ)য়ে বিভিন্ন ফালে কিছুমান সৈন্যদল প্ৰেৰণ কৰিছিল তেতিয়া হজৰত খালিদ বিন অলিদক বণু জুজাইমাৰ ফালে পঠিয়াই দিছিল। বণু জুজাইমা অজ্ঞতাৰ যুগতে হজৰত আব্দুৰ ৰহমান বিন অউফৰ পিতৃ অউফ আৰু হজৰত খালিদৰ খুৰাক ফকিহ বিন মাগিৰাক হত্যা কৰিছি ল। আকৌ হজৰত খালিদৰ হাতত সেই কবিলাৰ এজন লোক ভুলতে নিহত হৈছিল। হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে হজৰত খালিদৰ এই কাৰ্য্যৰ জানিছিল আৰু তেখেতক হজৰত খালিদক সুধিছিল যে তুমি তাক বেমাৰ খুৰাকক হত্যা কৰাৰ কাৰণে প্ৰতিশোধ লবলৈ হত্যা কৰিছা নেকি ? তেতিয়া হজৰত খালিদ (ৰাঃ)য়ে ক্ৰোধান্বিত হৈ কৈছিল যে - তেওঁ তোমাৰ দেউতাককও হত্যা কৰিছিল। হজৰত খালিদ (ৰাঃ)য়ে আৰু কৈছিল যে তুমি মোতকৈ আগতে ঈমান স্থাপন কৰিছা সেয়ে তুমি নিজকে ডাঙৰ বুলি ভাৱা। এই বিতৰ্ক নবী কৰিম (ছাঃ)ৰ কাণ পাইছিলগৈ তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল মোৰ আছহাবক এৰি দিয়া, সেই সত্তাৰ কছম যাৰ হাতত মোৰ প্ৰাণ ! যদি তোমালোকৰ মাজত কোনোবায় অহুদ পাহাৰ সমান সোনও খৰচ কৰে তথাপি তাৰ সামান্য পৰিমানকও গৈ এই পাহাৰ বৰাবৰে চুব নোৱাৰে আঁহজৰত (ছাঃ)য়ে আব্দুৰ ৰহমান বিন অউফৰ সম্পৰ্কে কৈছিল যে - এওঁ মুছলমান সকলৰ চৰদাৰৰও চৰদাৰ আৰু এয়াও কৈছিল যে আব্দুৰ ৰহমান আচমানতও আমিন ধৰাধামতও আমিন।

হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) এবাৰ ইমান কঠিন নৰীয়াত পৰিছিল যে তেখেতে অচেতন হৈ পৰিছিল। তেখেত (ৰাঃ)য়ে আতংকত শয়ৰি উঠি চিঞৰি মাৰিছিল। যেতিয়া এখেত (ৰাঃ)য়ে চেতনা ঘুৰাই পাইছিল তেতিয়া কৈছিল যে মই যেতিয়া অচেতন হৈ পৰিছিলো মোৰ ওচৰলৈ দুজন ব্যক্তি আহি মোক কৈছিল - ব’লা সত্য বিজয়ী সত্তাৰ সন্মুখত তোমাৰ মিমাংসা কৰোৱাই দিওঁ। সেই দুজনে আন এজন ব্যক্তিক লগ পাইছিল, তেওঁ কৈছিল যে ইয়াক লৈ নাযাবা কাৰণ এওঁ মাকৰ গৰ্ভৰ পৰাই সৌভাগ্যশীল।

হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) সেই লোক সকলৰ মাজত এজন আছিল যি সকলে জীৱন কালতেই সুসংবাদ লাভ কৰিছিল। যি সকলক আঁহজৰত (ছাঃ)য়ে জান্নাত প্ৰাপ্তিৰ সংবাদ দিছিল। কিন্তু তথাপিও সেই লোক সকলৰ হৃদয়ত ইমানেই খোদা তায়ালাৰ প্ৰতি বয় ভয়-ভীতি আছিল যে সদায় চিন্তিত থাকিছিল আৰু বেছি বেছিকৈ ছদকা খয়ৰাত কৰি থাকিছিল।

এটা ৰোৱায়েতত হজৰত আব্দুল্লাহ বিন আববাছ বৰ্ণনা কৰিছে যে হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া শ্বামৰ ফালে যাত্ৰা কৰিছিল, চৰগ নামৰ ঠাইত গৈ সৈন্য সামন্তৰ কমণ্ডাৰ হজৰত আবু উবায়দাহ বিন আল জৰাহক আৰু তাৰ সংগী বৃন্দক লগ পাইছিল। সেই লোক সকলে হজৰত উমৰ (ৰাঃ)ক জনাইছিল যে শ্বাম দেশত প্লেগ মহামাৰী বিয়পি পৰিছে। হজৰত উমৰ (ৰাঃ)য়ে এই বিষয়ে আলোচনা কৰি পৰামৰ্শ লৈ সৈন্য সামন্তক ওভতি যাবলৈ ঘোষনা কৰিছিল। সেই সন্দৰ্ভত হজৰত আবু উবায়দাহ বিন আল জৰাহ প্ৰশ্ন কৰিছিল যে কিয় আল্লাহৰ সিদ্ধান্তৰ পৰা ফালৰি কটা সম্ভৱ হবনে ? তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল হে আবু উবায়দাহ এই কথাখিনি তোমাৰ বাহিৰে আন কোনোবায় কোৱাটো সম্ভৱ আছিল। হয় ! আমি আল্লাহৰ এটা সিদ্ধান্ত অপেক্ষা কৰি আল্লাহৰেই আন এটা সিদ্ধান্তৰ ফালে ঘুৰাই গৈছো। যদি তোমাৰ ওচৰত উট থাকে আৰু তুমি সেই উটবোৰ লৈ এনেকুৱা পথাৰ এখনত যোৱা যে যাৰ দুটা ফাল আছে, এফাংলে সেউজীয়া ঘাহঁ বন আছে আনটো ফাল শুকান তৰুলতা বিহীন। তেন্তে এনেকুৱা নহবনে যে তুমি তোমাৰ উঠবোৰ সেউজীয়া ঘাঁহনীত চৰোৱাটো আল্লাহৰ ইচ্ছাৰ ওপৰত আৰু শুকান ঠাইত চৰোৱাটোও আল্লাহৰেই ইচ্ছাৰ ভিতৰত। ৰাৱী (লিপিকাৰ) কৈছে যে - ঠিক সময়তেই হজৰত আব্দুৰ ৰহমান বিন অউপ (ৰাঃ)য়ে আহি সেই ঠাইত উপস্থিত হৈছিল আৰু তেখেত (ৰাঃ)য়ে কৈছিল যে এই সমস্যাৰ সমাধান মই জানো। মই ৰছুলুল্লাহ (ছাঃ)ক এয়া কওঁতে শুনিছো যে যেতিয়া তোমালোকে শুনিবা যে অমুক ঠাইত মহামাৰী বিয়পিছে, তালৈ নেযাবা আৰু যদি তেনেকুৱা কোনো বেমাৰ থুমি থকা ঠাইত দেখা দিয়ে তেন্তে

তোমালোকে তাৰ পৰা পলাই বেলেগ জন -বসতিলৈ নাযাব অথবা বাহিৰলৈ ওলাই নাহিবা। যি ঠাইত মহামাৰী বিয়পি পৰিছে তালৈ যাব নালাগে আৰু নিজে বাস কৰা ঠাইত মহামাৰী দেখা দিলে তাৰ পৰা আকৌ বাহিৰলৈ যাব নালাগে। নিজে নিজেই তাতেই থাকি যাব লাগেযাতে সেই বেমাৰ বেলেগলৈ সংক্ৰমণ হব নোৱাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমান পৃথিৱীত এই নীতিৰ প্ৰয়োগ লক ডাউন ছিষ্টেমত কৰি আছে। যি সকলে সময় মতে এয়া কাৰ্য্যকৰী কৰিছে তাত বেমাৰ প্ৰায় আয়ত্বাধীনত আহিছে আৰু য'ত কৰিব পৰা পৰা নাই, অসাৱধানতাৰে চলি আছে, তাতে ব্যাপক ভাৱে বেমাৰ বিয়পি গৈ আছে। যিয়েই নহওঁক এই বুনিয়াদী শিক্ষা আঁহজৰত (ছাঃ)য়ে আগতেই নিজৰ চাহাব সকলক শিকাই দিছিল। হজৰত উমৰ (ৰাঃ)য়ে এই বিষয়ে আল্লাহ তায়ালাৰ কৰুণা বৰ্ণনা কৰিছিল আৰু তাৰে পৰা ওভতি আহিছিল।

বোখাৰী চৰিফত এটা ৰোৱায়েত আছে যে যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে নমাজ পঢ়িবলৈ থিয় হৈ আল্লাহু আকবাৰ (তকবিৰ) কৈছিল তেতিয়াই তেখেত (ৰাঃ)ৰ ওপৰত প্ৰাণঘাতী আক্ৰমণ চলোৱা হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে তেতিয়া আহত অৱস্থাতে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ক হাত ধৰি আনি ইমামতীৰ বাবে আগত থিয় কৰাই দিছিল আৰু হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে চমুকৈ নমাজ পঢ়াইছিল।

হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)য়ে খলিফা নিৰ্বাচিত হোৱা সময়ত হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ যি কাৰ্য্যকৰী ভুমিকা আছিল সেয়া বৰ্ণনা কৰিবলৈ গৈ কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া আহত হৈ পৰিছিল আৰু নিজে নিজে অনুভৱ কৰিছিল যে তাৰ জীৱন বন্তিয়ে আৰু পোহৰ বিলোৱাৰ সময় নাই তেতিয়া তেখেত (ৰাঃ)য়ে অচিয়ত কৰিছিল যে - হজৰত উচমান (ৰাঃ), হজৰত আলি (ৰাঃ), হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ), হজৰত ছাআদ বিন উকাছ (ৰাঃ), হজৰত জাবেৰ আৰু হজৰত তালহা (ৰাঃ), এওঁলোকে নিজৰ মাজৰ কোনো এজনক খলিফা পদত অধিষ্ঠিত কৰি লয় যেন। লগতে এয়াও অচিয়ত কৰিছিল যে এই লোক সকলে যেন তিনি দিনৰ ভিতৰত সিদ্ধান্ত লয় আৰু যিজনৰ ওপৰত বেছি সমৰ্থন নিৰূপিত হয়, সকলোৱে যেন তাৰ হাতত বয়াত লয় আৰু যিজনে অস্বীকাৰ কৰিব তাক হত্যা কৰি পেলাবা। কিন্তু যদি দুয়ো ফালে তিনিজন, তিনিজনকৈ হৈ যায় তেন্তে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) যি ফালে থাকিব তেওঁ খলিফা হব। যেতিয়া এই গুৰুত্বপূৰ্ণ কামটো হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ ওপৰত ন্যাস্ত কৰা হৈছিল। তেতিয়া হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে তিনি দিন ব্যাপি মদিনাৰ প্ৰত্যেক্যৰ ঘৰে ঘৰে গৈ পুৰুষ -মহিলা সকলক সুধিছিল যে তেওঁলোকে কোনজন ব্যক্তিক খিলাফতত অধিষ্ঠিত কৰাৰ বাবে মত পোষণ কৰে। তেওঁলোকে সকলোৱেই হজৰত উচমান (ৰাঃ)ক এই খিলাফতত অধিষ্ঠিত হোৱাৰ বাবে মত পোষণ কৰিছিল। সেয়ে তেওঁলোকে হজৰত উচমান (ৰাঃ)ৰ সপক্ষে ৰায় প্ৰদান কৰিছিল আৰু এখেত (ৰাঃ)য়ে ইছলামৰ তৃতীয় খলিফা হিচাপে দায়িত্ব ভাৰ গ্ৰহন কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ৰ জীৱনৰ আৰু কিছুমান ঘটনা বৰ্ণনালৈ আছে যি ইনশা আল্লাহ তায়ালা আগলৈ বৰ্ণনা কৰা হব।

"আলহামদু লিল্লাহি নাহমাদুহু ওয়া নাছতাঈনুহু ওয়া নাছতাগফিৰুহু ওয়ানু মিনু বিহি ওয়া নাতাওয়াক্কালু আলায়হি ওয়া নাউজুবিল্লাহি মিন শুৰুৰি আনফুছিনা ওয়া মিন ছাইয়ে আতি আমালিনা মাই ইয়াহ দিহিল্লাহু ফালা মুজিল্লাল্লাহু ওয়া মাই-ইউজ লিলহু ফালা হাদিয়ালাহু ওয়া নাশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওয়া নাশ্বহাদু আন্না মুহাম্মাদান আবদহু ওয়া ৰাছুলুহু,

ইবাদাল্লাহি ৰাহিমুকুমুল্লাহি ইন্নাল্লাহা ইয়ামুৰুবিল আদলি ওয়াল ইহছানি ওয়া ইতাইজিল কুৰবা ওয়া ইয়ানহা আনিল ফাহশায়ি ওয়াল মুনকাৰি ওয়াল বাগি ইয়াইজুকুম লা-আল্লাকুম তাজাক্কাৰুনা উজকুৰুল্লাহ ইয়াজ কৰুকুম ওয়াদ উহু ইয়াছ তাজিবলাকুম ওয়ালা জিকৰুল্লাহি আকবাৰ"।

**Assamese Khulasa Khutba Jumma Huzoor Anwar 19 JUNE . 2020**

**(BOOK POST PARINTED MATTER)**

To ------------------------------------------------------------------------

------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844